
# পৰিৱেশ অধ্যয়নৰ শিকন ফলাফল
# প্ৰাথমিক স্তৰৰ বাবে

## পাতনি

শিক্ষাৰ প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নে ছাত্ৰ-ছাত্ৰীক নিজৰ চাৰিওফালে থকা বাস্তৱ পৰিৱেশৰ লগত পৰিচয় কৰি দিয়াৰ ওপৰত গুৰুত্ব দিয়ে। ইয়ে তেওঁলোকক সমাজত চলি থকা প্ৰাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ সমস্যা বা ঘটনাৰাজী সম্পৰ্কে সচেতন তথা সজাগ হৈ সাহসেৰে সন্মুখীন হোৱাত সহায় কৰে। 'ৰাষ্ট্ৰীয় কাৰিকুলাম আধাৰ, ২০০৫'ত প্ৰাথমিক পৰ্যায়ৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত এক সমন্বিত আৰু বিষয়ভিত্তিক তথা প্ৰসংগভিত্তিক শিক্ষা পদ্ধতিৰ পৰামৰ্শ দিয়া হৈছে, য'ত পৰিৱেশ অধ্যয়ন বিষয়টো তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীলৈ পৃথক পাঠ্যক্ৰমিক বিষয় হিচাপে সন্নিৱিষ্ট কৰা হৈছে । প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত পৰিৱেশ সম্পৰ্কীয় ধাৰণাবোৰ ভাষা আৰু গণিতৰ সৈতে সমন্বিত হৈ আছে। প্ৰাৰম্ভিক পৰ্যায়ত পৰিৱেশ অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক নিজৰ চিনাকি পৰিৱেশৰ পৰা আৰম্ভ কৰি (প্ৰাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পটভূমিক সাঙুৰি) নিজৰ, ঘৰৰ, বিদ্যালয়ৰ আৰু পৰিয়ালৰ সম্পৰ্কে শিকোৱা আৰু ক্ৰমান্বয়ে বিস্তৃত পৰিৱেশ সম্পৰ্কীয় ধাৰণালৈ (চুবুৰীয়া আৰু সমাজৰ বহলভিত্তিক ধাৰণা) লৈ যোৱা হৈছে। পৰিৱেশ অধ্যয়নে কেৱল নিজৰ পৰিৱেশৰ লগত চিনাকি কৰি দিয়াই নহয়, ই সেই পৰিৱেশৰ লগত সামঞ্জস্য ৰাখি নিজকে খাপ খুৱাই চলিবলৈও শিকায়। পৰিৱেশ অধ্যয়ন শিক্ষণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি শিকন পৰিৱেশ গঢ়ি তোলাটো এটা অতি প্ৰয়োজনীয় কাম। এই প্ৰক্ৰিয়াত প্ৰত্যক্ষ জ্ঞান, সংজ্ঞা আৰু বৰ্ণনা দিয়াৰ পৰা বিৰত থকাৰ প্ৰয়োজন আৰু ইয়াৰ পৰিৱৰ্তে সিহঁতৰ চৌপাশৰ আন আন লগৰীয়া, অভিভাৱক আৰু প্ৰতিষ্ঠিত ব্যক্তিৰ সৈতে কৰা আদান-প্ৰদানৰ জৰিয়তে নিজা অভিজ্ঞতাৰে ধাৰণা গঠন কৰাৰ পৰিৱেশ সৃষ্টি কৰাহে উচিত। এই প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দিষ্ট পাঠ্যপুথি আৰু শ্ৰেণীকোঠাৰ বাহিৰেও বিভিন্ন পৰিৱেশত বিভিন্ন জ্ঞানৰ উৎসসমূহৰ পৰা পৰিৱেশ সম্পৰ্কে বুজি পাব। বাস্তৱ পৰিৱেশৰ অভিজ্ঞতাই তেওঁলোকক বিভিন্ন সামাজিক সমস্যা (যেনে— লিংগ বৈষম্যতা, বৃদ্ধ আৰু দুৰ্বল ব্যক্তিক ধৰি বিশেষভাৱে সক্ষম ব্যক্তিৰ অসুবিধা বা প্ৰত্যাহ্বানসমূহ) আৰু প্ৰাকৃতিক দিশ (যেনে— প্ৰাকৃতিক সম্পদৰ প্ৰতিপালন তথা সংৰক্ষণ) আদিৰ সৈতে সন্মুখীন হ'বলৈ সুযোগ-সুবিধা প্ৰদান কৰে। সমল সামগ্ৰীৰ উপৰি শ্ৰেণীকোঠাৰ পৰিৱেশ আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াও সৰ্বাত্মক অৰ্থাৎ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী হোৱাটো নিশ্চিত কৰিবলৈ যত্ন কৰিব লাগিব, যাতে সামৰ্থ, বৌদ্ধিক বিকাশ, শিকনৰ সক্ষমতা, শিকাৰ ধৰণ আদি দিশত থকা শিকাৰুৰ ভিন্নতা অনুযায়ী শিক্ষা প্ৰদান কৰাত সহায়ক হয়। ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিতকৰণৰ ক্ষেত্ৰত, বিদ্যালয়ত পাঠ্যপুথিৰ জৰিয়তে আহৰণ কৰা জ্ঞানৰ সৈতে বাস্তৱ অভিজ্ঞতা সংযোগ কৰাটো অতি গুৰুত্বপূৰ্ণ। শিকন পৰিৱেশত বিশেষভাৱে সক্ষম আৰু অনগ্ৰসৰ শিকাৰুকে ধৰি প্ৰতিজন শিকাৰুক সামৰি যাতে নিৰীক্ষণ কৰা নিজক প্ৰকাশ কৰা, আলোচনা কৰা, প্ৰশ্ন সোধা, জটিল চিন্তা কৰা, কথা কোৱা বা লিখা, বিশ্লেষণ কৰা আদি



কাৰ্যত অংশগ্ৰহণ কৰিবলৈ সুবিধা পায়  তাক নিশ্চিত কৰাৰ প্ৰয়োজন। তাৰবাবে বিভিন্ন শিক্ষা পদ্ধতি, ব্যৱস্থাৱলী আৰু সমলৰ প্ৰয়োজন অৰ্থাৎ ব্যক্তিগত বা দলগতভাৱে পঞ্চইন্দ্ৰিয় ব্যৱহাৰ কৰি শিকাৰ সুবিধা থকা শিকন প্ৰক্ৰিয়াৰ ব্যৱস্থা কৰা উচিত।

পাঠ্যক্ৰমৰ আকাংক্ষিত লক্ষ্য অনুসৰি ছাত্ৰ-ছাত্ৰীক সৰ্বাংগীন বিকাশ আৰু পৰিৱেশ অধ্যয়ন বিষয়ত শিকন অগ্ৰগতিৰ সম্পৰ্কে এটা সামগ্ৰিক দৃষ্টিভংগী গঢ়ি তোলাৰ বাবে তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ পৰিৱেশ অধ্যয়ন বিষয়ত এই শিকন লক্ষ্য প্ৰাপ্তিসমূহ প্ৰস্তুত কৰি উলিওৱা হৈছে। প্ৰাসংগিক আৰু বয়সৰ উপযুক্ততা অনুসৰি শিকন পৰিৱেশ সৃষ্টি কৰাৰ বাবে শৈক্ষিক নীতি সম্পৰ্কীয় প্ৰক্ৰিয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত আৰু শিকাৰুৰ শিকন প্ৰয়োজনীয়তা আৰু শিকাৰ ধৰণ অনুযায়ী নিজৰ ধাৰণা প্ৰকাশ কৰাৰ সুবিধা দিয়া আৰু তেওঁলোকৰ জ্ঞান, কৌশল, মূল্যবোধ, আগ্ৰহ আৰু প্ৰচেষ্টা আগুৱাই লৈ যোৱাত এই শিকন লক্ষ্য প্ৰাপ্তিসমূহ আৱশ্যক হ'ব। শিক্ষা ব্যৱস্থাৰ লগত জড়িত বিভিন্ন ব্যক্তি বিশেষকৈ শিক্ষকসকলক শিকন পৰিৱেশ গঢ়ি তোলাৰ বাবে কিছুমান ইংগিত বা সুবিধা প্ৰদানৰ উদ্দেশ্যে তলত সংকেতসূচক শৈক্ষিক নীতি সম্পৰ্কীয় প্ৰক্ৰিয়াসমূহ, শ্ৰেণী অনুযায়ী দাঙি ধৰা হ'ল। এইবোৰে তেওঁলোকক শিক্ষণ পৰিকল্পনা আৰু শিকন কাৰ্যাৱলীৰ ব্যৱস্থা কৰাৰ লগতে সৰ্বাত্মক শিক্ষাৰ শ্ৰেণীকোঠাত সকলো ছাত্ৰ-ছাত্ৰীৰ শিকন অগ্ৰগতি সম্পৰ্কে মূল্যায়ন কৰাত সহায় কৰিব।

**কাৰিকুলামৰ আকাংক্ষিত লক্ষ্য ঃ**

পৰিৱেশ অধ্যয়ন পাঠ্যক্ৰম অনুসৰি প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীয়ে তলত দিয়া দিশসমূহ আয়ত্ত কৰিব বুলি আশা কৰা হৈছে—


■ দৈনন্দিন জীৱনৰ লগত জড়িত বিভিন্ন বিষয়ত লাভ কৰা বাস্তৱ অভিজ্ঞতাৰ জৰিয়তে তাৎক্ষণিক আৰু বিস্তৃত পৰিৱেশ সম্পৰ্কে সচেতনতা জগাই তোলা। যেনে— পৰিয়াল, উদ্ভিদ, প্ৰাণী, আহাৰ, যাতায়াত ব্যৱস্থা বাসস্থান ইত্যাদি।

■ নিকতৱৰ্তী পৰিৱেশৰ প্ৰতি স্বাভাৱিক কৌতুহল জগাই তোলা আৰু সৃজনীশীলতাৰ প্ৰতিপালন কৰা।

■ নিকতবৰ্তী পৰিৱেশত পৰ্যৱেক্ষণ, আলোচনা, বৰ্ণনা, পৰীক্ষা-নিৰীক্ষা, যুক্তিযুক্ত কাৰণ দৰ্শোৱা আদি কৌশল বা প্ৰক্ৰিয়াসমূহ বিকাশ কৰা।

■ নিকতৱৰ্তী পৰিৱেশৰ প্ৰাকৃতিক, ভৌতিক আৰু মানৱ সম্পদৰ প্ৰতি সচেতনতা জগাই তোলা।

■ সমতা, ন্যায় সম্পৰ্কীয় বিষয় বা সমস্যাবোৰ আঙুলিয়াই দিব পৰা আৰু উত্থাপন কৰা আৰু মানৱ অধিকাৰ তথা মৰ্যাদাৰ প্ৰতি সন্মান জনোৱা।



# পৰিৱেশ অধ্যয়ন (তৃতীয় শ্ৰেণী)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
|---|---|
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/ দলগত শিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ ফুল, উদ্ভিদ, প্ৰাণী, চৰাই আদিৰ সাধাৰণ বৈশিষ্ট্যসমূহ (যেনে- শাৰিৰীক গঠনৰ ভিন্নতা, আকাৰ, চলন, বাসস্থান, খাদ্যাভাস, প্ৰয়োজনীয়তা, পোৱালীৰ যত্ন, দলীয় আচৰণ ইত্যাদি) সম্পৰ্কে জানিবলৈ নিজৰ চৌপাশৰ পৰিৱেশ (যেনে— ঘৰ, বিদ্যালয়, চুবুৰীত) নিৰীক্ষণ আৰু অনুসন্ধান কৰা।<br>■ পৰিয়ালৰ সদস্যসকলৰ মাজত থকা সম্বন্ধ, তেওঁলোকে কৰা কাম, অভ্যাস, তেওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য আদি জানিবলৈ নিজৰ পৰিয়াল নিৰীক্ষণ তথা অনুসন্ধান কৰা আৰু পৰিয়ালৰ সদস্যসকলৰ লগত এই বিষয়ে আলোচনা কৰা।<br>■ পৰিবহন আৰু যোগাযোগ ব্যৱস্থা, মানুহে কৰা কামৰ বিষয়ে জানিবলৈ নিজৰ চৌপাশ অনুসন্ধান কৰা।<br>■ বিভিন্ন প্ৰকাৰৰ খাদ্য, বাচন বৰ্তন, চৌকা, ইন্ধন আৰু খাদ্য প্ৰস্তুত বা ৰন্ধন প্ৰণালী সম্পৰ্কে জানিবলৈ নিজৰ ঘৰ বা বিদ্যালয়ৰ ৰান্ধনীশাল নিৰীক্ষণ কৰা। | ছাত্ৰ-ছাত্ৰীয়ে—<br>■ চৌপাশে থকা উদ্ভিদৰ পাতৰ-আকৃতি, বৰণ, গঠন শৈলী, গোন্ধ আদি সাধাৰণ বৈশিষ্ট্যসমূহ চিনাক্ত কৰাৰ উপৰি গা-গছ আৰু গছৰ বাকলি চিনাক্ত কৰিব পাৰিব।<br>■ চৌপাশে থকা প্ৰাণী আৰু চৰাইৰ সাধাৰণ বৈশিষ্ট্যসমূহ, চলন, ক'ত পোৱা যায়, ক'ত ৰখা হয়, খাদ্যাভাস, মাত ইত্যাদি চিনাক্ত কৰিব পাৰিব।<br>■ পৰিয়ালৰ লগত আৰু পৰিয়ালৰ সদস্যসমূহৰ মাজত থকা সম্বন্ধ চিনাক্ত কৰিব পাৰিব।<br>■ ঘৰ/বিদ্যালয়/চুবুৰীয়া অঞ্চলৰ বিভিন্ন বস্তু/সংকেত আদি যেনে- বাচন-বৰ্তন, চৌকা, পৰিবহন আৰু যোগাযোগ ব্যৱস্থা, নামফলক বিভিন্ন ধৰণৰ ঘৰ, আশ্ৰয়স্থলী, বাছ আস্থান, পেট্ৰল পাম্প আদি ঠাই চিনাক্ত কৰিব পাৰিব; মানুহে কৰা কিছুমান কাম, ৰন্ধন প্ৰণালী ইত্যাদি শিকিব।<br>■ বয়স অনুযায়ী প্ৰয়োজনীয় খাদ্যৰ উপাদান, প্ৰাণী আৰু চৰাইৰ আহাৰ, ঘৰ আৰু চৌপাশে মজুত থকা খাদ্য আৰু |



■ মানুহ/চৰাই/প্ৰাণীয়ে ক'ৰ পৰা পানী আৰু খোৰা খাদ্য পায়, উদ্ভিদৰ কোন অংশ আমি খাওঁ, ৰান্ধনীশালত কোনে কাম কৰে, কোনে কি খায় বা শেষত কোনে খায় ইত্যাদি কথাবোৰ অনুসন্ধান কৰা আৰু এই বিষয়ে জ্যেষ্ঠ ব্যক্তিৰ সৈতে আলোচনা কৰা।

■ নিজৰ চুবুৰীত বা পৰিৱেশত থকা বিভিন্ন ঠাই ভ্ৰমণ কৰা। (উদাহৰণ স্বৰূপে— কিনা-বেচা কৰা প্ৰক্ৰিয়া সম্পৰ্কে নিৰীক্ষণ কৰিবৰ বাবে বজাৰলৈ যোৱা, চিঠি-পত্ৰ আদান-প্ৰদান প্ৰক্ৰিয়া সম্পৰ্কে জানিবলৈ ডাক-ঘৰলৈ যোৱা, স্থানীয়ভাৱে উপলব্ধ পানীৰ উৎসসমূহ পৰ্যৱেক্ষণ কৰা ইত্যাদি)।

■ সমনীয়া আৰু জ্যেষ্ঠজনক কোনো ভয় বা দ্বিধাহীনভাৱে প্ৰশ্ন সোধা আৰু তেওঁলোকৰ প্ৰশ্নৰ প্ৰতি সহাৰি জনোৱা।

■ নিৰীক্ষণ কৰি হোৱা অভিজ্ঞতাবোৰ ছবি/প্ৰতীক আদিৰ দ্বাৰা, প্ৰতিলিপি লিখি, অংগভংগী কৰি, মৌখিকভাৱে বা নিজৰ ভাষাত কেইশাৰীমান বাক্য লিখি প্ৰকাশ কৰা।

■ বস্তুৰ সাদৃশ্য আৰু বৈসাদৃশ্য নিৰীক্ষণ কৰি বস্তুৰ মাজত তুলনা আৰু তাৰ প্ৰকৃতি নিৰ্ধাৰণ কৰা আৰু সেইবোৰ বিভিন্ন শ্ৰেণীত ভাগ কৰা।

■ পিতৃ-মাতৃ/অভিভাৱক/ককা-আইতা/চুবুৰীয়া অঞ্চলৰ জ্যেষ্ঠ ব্যক্তিৰ লগত আলোচনা কৰি অতীতৰ সৈতে এইবোৰৰ ব্যৱহাৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

■ পৰিয়ালৰ সদস্যসকলৰ ভূমিকা, পৰিয়াল এটা প্ৰভাৱিত কৰিব পৰা সদস্যসকলৰ চাৰিত্ৰিক বৈশিষ্ট্য, অভ্যাস, অনুশীলন, পৰিয়ালত সদস্যসকল একেলগে থকাৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।


■ পঞ্চ ইন্দ্ৰিয় ব্যৱহাৰ কৰি প্ৰাণী, চৰাই আৰু বস্তুৰ বাহ্যিকৰূপ/থকা ঠাই/চলন/পচন্দ-অপচন্দ আদিৰ সাদৃশ্য-বৈসাদৃশ্যৰ ওপৰত ভিত্তি কৰি এইবোৰৰ শ্ৰেণী বিভাজন কৰিব পাৰিব।

■ অতীতৰ (পূৰ্বপুৰুষৰ দিনৰ) আৰু বৰ্তমানৰ বস্তু আৰু ক্ৰিয়া-কলাপৰ (যেনে— সাজপাৰ, বাচন-বৰ্তন, খেলা খেল, মানুহে কৰা কাম ইত্যাদিৰ পাৰ্থক্য উলিয়াব পাৰিব।

■ হাতৰ বেগেত, চামুচ, মগ আদি ব্যৱহাৰ কৰি কিছুমান বস্তুৰ দৈৰ্ঘ, পৰিমাণ আদি স্থানীয়/অনিৰ্ধাৰিত এককত প্ৰকাশ কৰিব পাৰিব লগতে কোনো বস্তুৰ গুণাগুণ প্ৰতীক/চিহ্ন আদি চাই নিৰ্ধাৰণ কৰিব পাৰিব।

■ কোনো বস্তু/পৰিঘটনা/ভ্ৰমণ কৰা ঠাই পৰ্যৱেক্ষণ কৰি বা অভিজ্ঞতাৰ ভিত্তিত বিভিন্ন ধৰণে নথি তৈয়াৰ কৰিব পাৰিব। (উদাহৰণস্বৰূপে চন্দ্ৰৰ আকৃতিৰ পৰিৱৰ্তন, ঋতু পৰিৱৰ্তন ইত্যাদি)।

■ ঘৰ/শ্ৰেণীকোঠা/বিদ্যালয়ৰ দিশ, কোনো ঠাই/বস্তুৰ স্থিতি/অৱস্থান আদি



বৰ্তমানৰ দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীবোৰ (যেনে— সাজ-পাৰ, বাচন-বৰ্তন, মানুহে কৰা কাম, খেলা খেল) আদিৰ তুলনা কৰা।

■ চৌপাশৰ পৰা শিলগুটি, মণি, গছৰ সৰাপাত, চৰাইৰ পাখি, ছবি আদি সংগ্ৰহ কৰা আৰু সেইবোৰ উদ্ভাৱনীমূলকভাৱে সজোৱা।

■ জটিলভাৱে চিন্তা কৰি কোনো ঘটনা, পৰিস্থিতি, সমস্যা সম্পৰ্কে পূৰ্ব অনুমান কৰি ইয়াৰ বাবে ল'ব লগা সম্ভাব্য ব্যৱস্থা ল'ব পৰা। (উদাহৰণস্বৰূপে— কোনটো দিশে গ'লে (সোঁ/বাওঁ/সন্মুখ/পিছফাল) নিৰ্দিষ্ট গন্তব্যস্থান পাবগৈ, কোনটো পাত্ৰত বেছি পানী ধৰিব; কিমান চামুচ পানীৰে এটা মগ বা বাল্টি ভৰ্তি হ'ব ইত্যাদি)।

■ পঞ্চ ইন্দ্ৰিয় ব্যৱহাৰৰ জৰিয়তে পৰীক্ষা-নিৰীক্ষা কৰি বিভিন্ন বস্তু চিনাক্ত কৰা, বস্তুবোৰৰ পাৰ্থক্য উলিওৱা, শ্ৰেণী বিভাজন কৰা আদি কাৰ্য নিজৰ সামৰ্থ অনুসৰি কৰা। (যেনে— কোনো বস্তু নিৰীক্ষণ কৰা, গোন্ধ লোৱা, সোৱাদ লোৱা, চুই চোৱা, শব্দ শুনা আদি)

■ নিৰীক্ষণ কৰি আৰু পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা পোৱা অভিজ্ঞতাসমূহ মৌখিকভাৱে/ অংগভংগীৰে/ নক্সা অংকনেৰে/সহজ বাক্যত লিখিতভাৱে প্ৰকাশ কৰা।

■ স্থানীয়ভাৱে পোৱা আৰু পেলনীয়া সামগ্ৰীৰে বিভিন্ন ছবি, আৰ্হি, ডিজাইন, ক'লাজ সংকেত, চিহ্ন আদিৰ দ্বাৰা সাধাৰণ মানচিত্ৰত প্ৰকাশ কৰিব বা মৌখিকভাৱে ক'ব পাৰিব।

■ চিত্ৰ, আৰ্হি, নমুনা, মডেল, কোনো বস্তুৰ ওপৰ, সন্মুখ আৰু পাৰ্শ্বীয় অংশৰ দৃশ্য সাধাৰণ মানচিত্ৰ আদিৰ আৰ্হি ইত্যাদি তৈয়াৰ কৰিব/অংকণ কৰিব পাৰিব লগতে শ্লোগান, কবিতা আদি লিখিব পাৰিব।

■ স্থানীয় খেল/ভিতৰত খেলা খেল/খেলপথাৰত খেলা খেল/সমূহীয়া কাৰ্য আদিৰ নিয়ম পৰ্যৱেক্ষণ কৰিব পাৰিব।

■ ভাল-বেয়া স্পৰ্শ, ঘৰখনৰ লিঙ্গ ভিত্তিক কাম, খেলা খেল, খাদ্য আদিৰ বৈষম্যতা লগতে পানী, খাদ্য আদিৰ অপব্যৱহাৰ, অপচয় ইত্যাদিৰ ওপৰত মতামত দিব পাৰিব।

■ চৌপাশে থকা উদ্ভিদ, প্ৰাণী, জ্যেষ্ঠ ব্যক্তি, বিশেষভাৱে সক্ষম, বৈচিত্ৰতা থকা পৰিয়ালৰ (যেনে—বাহ্যিক ৰূপ, সামৰ্থতা, পচন্দ-অপচন্দ, বাসস্থান, খাদ্য আহোৰন কৰাৰ উপায় আদিত) প্ৰতি অনুভূতিশীল হ'বলৈ শিকিব।



| | |
|---|---|
| আদি তৈয়াৰ কৰা (যেনে— সৰি পৰা গছৰ শুকান পাত/ফুল, মাটি, শিলগুটি আদি সংগ্ৰহ কৰা আৰু সেইবোৰ কৌশলেৰে সজোৱা; মাটিৰে বিভিন্ন বাচন-বৰ্তন, প্ৰাণী, চৰাই, যান-বাহন আদি তৈয়াৰ কৰা; খালী জুইশলা বাকচেৰে আচবাব প্ৰস্তুত কৰা ইত্যাদি)।<br>■ চৌপাশৰ ঘৰচীয়া প্ৰাণী, চৰাই তথা অন্যান্য প্ৰাণী আৰু সিহঁতৰ পোৱালীৰ সৈতে থকা সম্বন্ধৰ বিষয়ে হোৱা অভিজ্ঞতাৰ বিষয়ে নিজৰ মতামত দাঙি ধৰা।<br>■ দলীয় কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা একেলগে কাম কৰা, কামত আগভাগ লোৱা, আলোচনা কৰা, সহযোগিতাৰে কাম কৰা, নেতৃত্ব দিয়া আদি গুণসমূহ আহৰণ কৰা। (উদাহৰণ স্বৰূপে— বিভিন্ন ভিতৰত খেলা খেল/খেল পথাৰত খেলা খেল/স্থানীয় খেল তথা বিভিন্ন অনুসন্ধান কাৰ্য, প্ৰকল্প আদিত অংশগ্ৰহণ কৰা, চৌপাশে থকা গছপুলি/চৰাই/প্ৰাণী আদিৰ যত্ন লোৱা।)<br>■ কিছুমান লিঙ্গভিত্তিক ধাৰণা বা বৈষম্য (যেনে— আহাৰ গ্ৰহণ, স্বাস্থ্যৰ যত্ন বিদ্যালয়লৈ যোৱাৰ সুবিধা গ্ৰহণ আদিত) পুৰুষ/মহিলা সদস্যৰ সমান অধিকাৰ, বৃদ্ধলোক আৰু বিশেষভাৱে সক্ষম ব্যক্তিৰ প্ৰয়োজন আদি সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰা, আলোচনা কৰা আৰু এইবোৰৰ বিষয়ে জটিলভাৱে চিন্তা কৰা। নিজৰ ঘৰত, বিদ্যালয়ত, চুবুৰীৰ এনেধৰণৰ পৰিস্থিতিৰ লগত জড়িত তেনে অভিজ্ঞতা বা কাৰ্যকলাপত প্ৰতিফলিত কৰিব পৰা।<br>■ পাঠ্যপুঁথিৰ উপৰি অন্যান্য সমল যেনে— ছবি, পোষ্টাৰ, নামফলক, কিতাপ, বাতৰি-কাকতৰ প্ৰবন্ধ, কবিতা, বৈদ্যুতিন সমল, টেক্টাইল (বিশেষ প্ৰয়োজন সম্পন্ন ল'ৰা-ছোৱালীৰ বাবে টেক্টাইল বা স্পৰ্শ কৰি বুজিব পৰা সমল, তথ্যচিত্ৰৰ পৰা আহৰণ কৰা সমল, পুথিভঁৰালৰ কিতাপ আদি অধ্যয়ন কৰা। | |



# পৰিবেশ অধ্যয়ন (চতুৰ্থ শ্ৰেণী)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
| --- | --- |
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/ দলগত শিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ ফুল, উদ্ভিদ, প্ৰাণী, চৰাই আদিৰ সাধাৰণ বৈশিষ্টসমূহ (বাহ্যিক ৰূপ, আকাৰ, চলন, বাসস্থান, প্ৰয়োজন, খাদ্যাভাস, পোৱালীৰ যত্ন, দলীয় আচৰণ আদি) জানিবলৈ নিজৰ চৌপাশৰ পৰিৱেশ (যেনে— পৰিয়াল, বিদ্যালয় আৰু চুবুৰী) নিৰীক্ষণ কৰি উদঘাটন কৰা।<br>■ কিছুমান পৰিয়ালৰ সকলো সদস্য কিয় একেলগে থাকে আৰু আন কিছুমান পৰিয়ালত বেলেগে থাকে সেই বিষয়ে পৰিয়ালৰ সদস্য/বয়োজ্যেষ্ঠ ব্যক্তিসকলক প্ৰশ্ন সোধা আৰু আলোচনা কৰা। ঘৰৰ পৰা আঁতৰত থকা সম্পৰ্কীয় ব্যক্তি তথা বন্ধুৰ থকা ঘৰ, সেই ঠাইৰ পৰিবহণ ব্যৱস্থা আৰু তেওঁলোকৰ জীৱিকাৰ বিষয়ে জানিবলৈ তেওঁলোকৰ সৈতে ভাব বিনিময় কৰা।<br>■ পেইণ্টিং/দলিচা/হস্তশিল্প আদিৰ দৰে বিশেষ সামগ্ৰী তৈয়াৰ কৰা অনুষ্ঠান, ঘৰৰ ৰান্ধনীশাল, যাদুঘৰ, অভয়াৰণ্য, ফাৰ্ম, খেতি-পথাৰ, পানীৰ উৎস, দলং, নিৰ্মাণ-স্থলী, স্থানীয় উদ্যোগ, দূৰ সম্পৰ্কীয় ব্যক্তি বা বন্ধুৰ ঘৰ আদি ঠাই ভ্ৰমণ কৰা।<br>■ বিভিন্ন ব্যক্তি (শাক-পাচলি বিক্ৰী কৰোঁতা, ফুল বেচোতা, মৌ পালক, মালী, খেতিয়ক, গাড়ীচালক, স্বাস্থ্য আৰু সামৰিক | **ছাত্ৰ-ছাত্ৰীয়ে—**<br>■ চৌপাশে থকা ফুল, ফল আৰু শিপাৰ সাধাৰণ বৈশিষ্ট্যসমূহ (যেনে- আকৃতি, বৰণ, গোন্ধ, এইবোৰ ক'ত পোৱা যায় ইত্যাদি) চিনাক্ত কৰিব পাৰিব।<br>■ চৰাই আৰু প্ৰাণীৰ বৈশিষ্ট্য (চৰাইৰ ঠোঁট, বাহ আৰু প্ৰাণীৰ দাঁত, হাতোৰা, কাণ, নোম, বাসস্থান আদি) চিনাক্ত কৰিব পাৰিব।<br>■ যৌথ পৰিয়ালৰ সদস্যসকলৰ মাজৰ সম্বন্ধবোৰ চিনাক্ত কৰিব পাৰিব।<br>■ জাক পাতি থকা/দলবদ্ধভাৱে থকা প্ৰাণীবোৰৰ (পৰুৱা, মৌ-মাখি, হাতী আদি) দলীয় আচৰণ, চৰাইৰ বাহ সজা কাৰ্য, পৰিয়ালত সন্তান জন্ম, বিবাহ, কোনো সদস্যৰ স্থানান্তৰিত সূত্ৰে হোৱা পৰিৱৰ্তনবোৰ বৰ্ণনা কৰিব পাৰিব।<br>■ দক্ষতাৰ আৱশ্যক হোৱা কিছুমান কাম (যেনে— কৃষি কাৰ্য, নিৰ্মাণ কাৰ্য, শিল্প-কলা আদি), উত্তৰাধিকাৰী সূত্ৰে কৰি অহা কিছুমান শিল্প-কলা আৰু এইবোৰৰ বাবে প্ৰয়োজন হোৱা প্ৰশিক্ষণ, এনেবোৰ প্ৰশিক্ষণ দিয়া অনুষ্ঠানবোৰৰ ভূমিকা আদিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।<br>■ দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা সামগ্ৰীবোৰ (যেনে- খাদ্য, পানী, সাজ-পাৰ) |



বিভাগৰ কৰ্মৰত ব্যক্তিৰ) সৈতে ভাৱ বিনিময় কৰা, তেওঁলোকৰ কাৰ্য, কাম কৰা কৌশল, তেওঁলোকে ব্যৱহৃৰ কৰা আহিলাপাতি সম্পৰ্কে আলোচনা কৰা।

■ সময়ৰ সৈতে হোৱা পৰিয়ালৰ পৰিৱৰ্তন, পৰিয়ালৰ সদস্যসকলৰ ভূমিকা সম্পৰ্কে জ্যেষ্ঠ ব্যক্তিৰ সৈতে আলোচনা কৰা আৰু নিজৰ ঘৰ/বিদ্যালয়/চুবুৰীয়া অঞ্চলত লিঙ্গ ভিত্তিক ধাৰণা, বৈষম্যতা, মানুহ, প্ৰাণী, চৰাই, উদ্ভিদ আদিৰ প্ৰতি দেখুওৱা অশোভনীয়/অনুচিত ব্যৱহাৰ আদিৰ বিষয়ে আলোচনা কৰা আৰু এই বিষয়ে নিজৰ অভিজ্ঞতা ব্যক্ত কৰা।

■ কোনো ভয় বা সংকোচ নকৰাকৈ প্ৰশ্ন কৰা আৰু নিজৰ অভিজ্ঞতা প্ৰকাশ কৰা।

■ ছবি, প্ৰতীক, চিহ্ন, নক্সা-অংকন কৰা, অংগভংগী কৰা, মৌখিকভাৱে কোৱা বা সহজ-সৰল ভাষাত কেইশাৰীমান বাক্য লিখাৰ জৰিয়তে নিজৰ অভিজ্ঞতা দাঙি ধৰা।

■ বস্তুৰ সাদৃশ্য আৰু বৈসাদৃশ্য নিৰীক্ষণ কৰি বস্তুৰ তুলনা আৰু তাৰ প্ৰকৃতি নিৰ্ধাৰণ কৰা আৰু সেইবোৰ বিভিন্ন শ্ৰেণীত ভাগ কৰা।

■ বিশেষভাৱে সক্ষম ব্যক্তিক সামৰি বিভিন্ন ব্যক্তিৰ অতীত আৰু বৰ্তমানৰ বস্তু কাৰ্যাৱলী (যেনে—সাজপাৰ, বাচন-বৰ্তন কামৰ ধৰণ, খেলা খেল আদি) তুলনা কৰা আৰু সেই সম্পৰ্কে নিজৰ পিতৃ-মাতৃ/অভিভাৱক/ককা-আইতা/জ্যেষ্ঠ ব্যক্তিৰ সৈতে আলোচনা কৰা।

■ নিজৰ পৰিৱেশত পোৱা বিভিন্ন সামগ্ৰী সংগ্ৰহ কৰা (যেনে— সৰি পৰা ফুল, গছৰ শিপা, বীজ, মাহজাতীয় শস্য, চৰাইৰ পাখি, বাতৰি কাকত, আলোচনীৰ প্ৰৱন্ধ, বিজ্ঞাপন, বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা আৰু প্ৰস্তুত কৰা প্ৰক্ৰিয়াৰ বিষয়ে (খেতিৰ পৰা উৎপন্ন হোৱা শস্যবোৰ বজাৰলৈ আৰু বজাৰৰ পৰা ঘৰলৈ অনা প্ৰক্ৰিয়া, স্থানীয় পানীৰ উৎসৰ পৰা কি প্ৰক্ৰিয়াৰে শোধন কৰি ঘৰ বা চুবুৰীয়া অঞ্চলত যোগান ধৰা হয় ইত্যাদি) বৰ্ণনা কৰিব পাৰিব।

■ অতীত আৰু বৰ্তমানৰ পৰিবহন ব্যৱস্থা, মুদ্ৰা, ঘৰ, সামগ্ৰী, সা-সঁজুলি/আহিলাপাতি আদিৰ পাৰ্থক্য উলিয়াব পাৰিব।

■ চৰাই আৰু প্ৰাণীৰ কিছুমান দৈহিক বৈশিষ্ট্য (ঠোঁট, কাণ, নোম, দাঁত, ছালৰ গঠনশৈলী আদি), প্ৰাণীৰ প্ৰবৃত্তি (ঘৰচীয়া/বনৰীয়া), ফল-মূল, শাক-পাচলি, মাহ জাতীয় শস্য, মচলা আদি নিৰীক্ষণ কৰি শ্ৰেণীবিভাজন কৰিব পাৰিব। (যেনে— খোৱাৰ উপযোগী, ঔষধি গুণযুক্ত, সোৱাদ, গোন্ধ, সৌন্দৰ্যবৰ্ধক ইত্যাদিৰ ওপৰত ভিত্তি কৰি।)

■ কিছুমান পৰিঘটনাৰ 'কাৰণ আৰু প্ৰভাৱ'ৰ সত্যতা সৰল সঁজুলিৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি প্ৰমাণ কৰিব পাৰিব (যেনে- বাষ্পীভৱন, ঘনীভৱন, দ্ৰবীভূতকৰণ, শোষণ আদি)। দুই বা তাতোধিক বস্তুৰ মাজত দূৰত্ব, ওজন, সময়ৰ ব্যৱধান আদি জোখ-মাখ কৰি স্থানীয়/নিৰ্ধাৰিত এককত (কিলো, গজ, পাব আদি) নিৰ্ণয় কৰিব পাৰিব।

■ মেলা, উৎসৱ, ঐতিহাসিক ঠাই



ছবি, মুদ্ৰা, মোহৰ আদি) আৰু সেইবোৰ উদ্ভাৱনীমূলকভাৱে সজোৱা।

■ নিজৰ সামৰ্থ্য অনুযায়ী পঞ্চ ইন্দ্ৰিয়ৰ জৰিয়তে— নিৰীক্ষণ কৰা/গোন্ধ লোৱা/সোৱাদ লোৱা/অনুভৱ কৰা/শুনা আদি কাৰ্যৰে কিছুমান সহজ ক্ৰিয়া-কলাপ আৰু পৰীক্ষা নিৰীক্ষা কৰা। উদাহৰণস্বৰূপে, পানীত বিভিন্ন দ্ৰব্যৰ দ্ৰৱণীয়তা পৰীক্ষা কৰা, তিতা কাপোৰ এখন কেতিয়া সোনকালে শুকায় (সূৰ্যৰ তাপত/কোঠাৰ ভিতৰত/মেৰিয়াই থ'লে/চেপেতা কৰি চাপ দি ৰাখিলে/ফেনৰ বতাহত বা ফেনৰ বতাহ নিদিয়াকৈ মেলি দিলে/গৰম বা ঠাণ্ডা বতাহ পালে ইত্যাদি।)

■ কিছুমান পৰিঘটনা (যেনে— গছৰ শিপা কোনফালে বাঢ়ে, ফুল কেনেকৈ ফুলে, কপিকল ব্যৱহাৰ কৰি বা অবিহনে গধুৰ বস্তু দঙা ইত্যাদি পৰ্যৱেক্ষণ কৰা আৰু এই বিষয়ে আলোচনা কৰা। নিজৰ অভিজ্ঞতা ব্যক্ত কৰা আৰু কিছুমান সহজ পৰীক্ষা-নিৰীক্ষা আৰু ক্ৰিয়া-কলাপৰ জৰিয়তে সেইবোৰ প্ৰমাণ কৰি চোৱা।

■ ৰে'ল, বাছৰ টিকট, সময়সূচী, মুদ্ৰা (টকা-পইচা), ফলকত থকা দিশসমূহৰ নিৰ্দেশনা পঢ়া আৰু মানচিত্ৰত স্থান নিৰ্ণয় কৰা।

■ স্থানীয়ভাৱে পোৱা বা পেলনীয়া সামগ্ৰীৰে বিভিন্ন ছবি, নক্সা, আৰ্হি, ক'লাজ আদি কৌশলেৰে তৈয়াৰ কৰা। (উদাহৰণ স্বৰূপে মাটিৰে বাচন-বৰ্তন, প্ৰাণী, চৰাই, গাড়ী আদি তৈয়াৰ কৰা, খালী জুইশলা বাকচেৰে ৰে'লগাড়ী, আচবাব) আদি সাজি উলিওৱা।

■ ঘৰত/বিদ্যালয়ত/অন্যান্য সামাজিক অনুষ্ঠানত আয়োজন কৰা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান/ৰাষ্ট্ৰীয় উৎসৱ/পৰিৱেশ দিবস, অন্যান্য উৎসৱ-পাৰ্বন আদিত অংশগ্ৰহণ কৰা। (উদাহৰণস্বৰূপে প্ৰাতঃসভা, বিশেষ অধিৱেশন, আদি নিৰীক্ষণ কৰি পোৱা অভিজ্ঞতাৰ তথ্যৰে টোকা প্ৰস্তুত কৰিব পাৰিব।

■ মানচিত্ৰত বিদ্যালয়, চুবুৰীয়া অঞ্চল, সংকেত কোনো ঠাইৰ স্থিতি, গুৰুত্বপূৰ্ণ ঠাই আদি চিনাক্ত কৰিব পাৰিব আৰু আনকো সেইবোৰ বিচাৰি উলিওৱাত নিৰ্দেশনা দিব পাৰিব।

■ নামফলক, পোষ্টাৰ, মুদ্ৰা (টকা-পইচা) ৰে'লৰ টিকট/সময়সূচী ইত্যাদিত দিয়া তথ্যৰ ব্যৱহাৰ কৰিব পাৰিব।

■ স্থানীয় আৰু পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, মডেল, আল্পনা, পোষ্টাৰ, এলবাম, বিদ্যালয়/চুবুৰীয়া অঞ্চলৰ সৰল মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব।

■ ঘৰ, বিদ্যালয়, চুবুৰীয়া অঞ্চল নিৰীক্ষণ কৰি সামাজিক ব্যৱস্থাৰ বিষয়ে আহৰণ কৰা কিছুমান অভিজ্ঞতা (যেনে— লিঙ্গভিত্তিক কাৰ্য, বৈষম্যতা, শিশুৰ অধিকাৰ) আদিৰ ওপৰত নিজৰ মতামত দিব পাৰিব।

■ স্বাস্থ্য আৰু স্বাস্থ্যবিধি, খাদ্য, পানী আদিৰ ব্যৱহাৰত মিতব্যয়ী হোৱা, এবাৰ ব্যৱহাৰ কৰা পানী পুনৰ ব্যৱহাৰ কৰা বা পুনৰাৱৰ্তন কৰা, জীৱ আৰু সম্পদৰ (খাদ্য, পানী, ৰাজহুৱা সম্পত্তি) যত্ন লোৱা আদি বিভিন্ন ব্যৱস্থাৰ ওপৰত পৰামৰ্শ আগবঢ়াব পাৰিব।



প্ৰদৰ্শনী, দীপাৱলী, ওনাম, বিশ্ব দিৱস, ঈদ, দুৰ্গাপূজা, বিহু আদিত আয়োজন কৰা নৃত্য, নাটক আদিত অংশ গ্ৰহণ কৰা, কবিতা, গল্প, শ্ল'গান লিখা, উৎসৱ উপলক্ষে চাকি, মুখা, মম আদি তৈয়াৰ কৰা, আল্পনা অঁকা, জেটুকাৰে হাতৰ তলুৱাত আৰ্হি অঁকা) আদি সৃজনীমূলক কাৰ্যত অংশগ্ৰহণ কৰা।

■ পাঠ্যপুথিৰ উপৰি অন্যান্য কিতাপ, বাতৰি-কাকত, গল্প, কবিতা পঢ়ি, ৰেডিঅ' শুনি, বৈদ্যুতিক সমল যেনে—দূৰদৰ্শন, চিনেমা চাই, পুথিভঁৰালৰ কিতাপ অধ্যয়ন কৰি সমল গোটোৱা।

■ ঘৰ, বিদ্যালয়, চুবুৰীয়া অঞ্চল নিৰীক্ষণ কৰি সম্পদৰ অপচয় ৰোধ কৰা আৰু ৰাজহুৱা সম্পত্তিৰ যত্ন লোৱা আৰু সঠিক ব্যৱহাৰ কৰা, পানী প্ৰদূষণ আৰু অপচয় ৰোধ কৰা আৰু পুনৰ ব্যৱহাৰ কৰা, প্ৰাণীৰ যত্ন লোৱা, স্বাস্থ্য আৰু স্বাস্থ্যনীতি সম্পৰ্কে সজাগ হোৱা আদি বিষয়ে পিতৃ-মাতৃ, শিক্ষক, সমনীয়া, ঘৰ/সমাজৰ জ্যেষ্ঠ ব্যক্তিৰ লগত আলোচনা কৰা আৰু এইবোৰ জটিলভাৱে চিন্তা কৰি নিজৰ কাৰ্যত সেইবোৰ প্ৰতিফলিত কৰা।

■ কিছুমান লিঙ্গভিত্তিক কাৰ্য-কলাপ (যেনে— খেলা খেল বা ৰাজহুৱা কাম) আদিত মহিলাৰ অংশগ্ৰহণ, কিছুমান বিশেষ ল'ৰা-ছোৱালী/বিশেষভাৱে সক্ষম ব্যক্তি/পৰিয়াল/সম্প্ৰদায়/বৃদ্ধ লোকৰ ৰাজহুৱা স্থানত প্ৰৱেশৰ অধিকাৰ আৰু ৰাজহুৱা সমল ব্যৱহাৰত সীমাৱদ্ধতা আদিৰ বিষয়ে অনুসন্ধান কৰা আৰু এইবোৰ গুৰুত্ব সহকাৰে লোৱা।

■ দলীয় কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা, কামত আগভাগ লোৱা, সহযোগিতাৰে কাম কৰা, দলক নেতৃত্ব দিয়া আদি গুণবোৰ আয়ত্ত কৰা। (উদাহৰণস্বৰূপে— বিভিন্ন খেলপথাৰত খেলা খেল/ভিতৰত খেলা খেল/স্থানীয়/সমসাময়িক অনুসন্ধানমূলক কাৰ্যত অংশগ্ৰহণ কৰা আৰু প্ৰাণী, চৰাই, নিজৰ চুবুৰীত থকা বিশেষভাৱে সক্ষম ব্যক্তি তথা বৃদ্ধ লোকক যত্ন লোৱা আদি।)



# পৰিবেশ অধ্যয়ন (পঞ্চম শ্ৰেণী)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
| --- | --- |
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/ দলগত শিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ প্ৰাণীৰ দৃষ্টিশক্তি, নিদ্ৰা, আহাৰ গ্ৰহণ কৰা আদি অস্বাভাৱিক বৈশিষ্ট্যসমূহ নিৰীক্ষণ কৰা আৰু পোহৰ, তাপ, গোন্ধ আদিৰ প্ৰতি সংবেদনশীল হৈ দেখুওৱা প্ৰতিক্ৰিয়াসমূহ উদঘাটন কৰা।<br>■ পৰিৱেশৰ উৎসসমূহৰ পৰা নিজৰ ঘৰত ক'ৰ পৰা কেনেকৈ ফল-মূল, শাক-পাচলি, চাউল, আটা, পানী আদি আহৰণ কৰা হয়, ধানৰ পৰা চাউল তথা চাউলৰ পৰা ভাত, ঘেঁহুৰ পৰা আটা তথা আটাৰ পৰা ৰুটি প্ৰস্তুত কৰা প্ৰণালী বা কৌশল, পানী শোধন কৰা প্ৰক্ৰিয়া ইত্যাদি পৰ্যৱেক্ষণ আৰু উদঘাটন কৰা।<br>■ সমনীয়া, শিক্ষক-শিক্ষয়িত্ৰী আৰু জ্যেষ্ঠসকলৰ সৈতে কৰা ক্ষেত্ৰ ভ্ৰমণ বা বিভিন্ন উৎসৱ পালনৰ জৰিয়তে আহৰণ কৰা জ্ঞান সম্পৰ্কে নিজা নিজা অভিজ্ঞতা দাঙি ধৰা আৰু আলোচনা কৰা।<br>■ এঠাইৰ পৰা আন ঠাইলৈ যোৱাৰ বাবে পথ নিৰ্দেশনা তালিকা/পত্ৰ প্ৰস্তুত কৰা।<br>■ বিভিন্ন ভৌগলিক অঞ্চলৰ (যেনে-সমতল ভূমি, পাহাৰীয়া অঞ্চল, মৰুভূমি অঞ্চল আদি) স্থানীয় উদ্ভিদ আৰু প্ৰাণীৰ বৈচিত্ৰতা, মানুহৰ জীৱন-ধাৰণ প্ৰণালী সম্পৰ্কে জ্যেষ্ঠব্যক্তিক সুধি/ছবি/কিতাপ/ বাতৰি-কাকত /আলোচনী/বৈদ্যুতিন সমল/যাদুঘৰ আদিৰ পৰা তথ্য সংগ্ৰহ কৰা।<br>■ বিভিন্ন অঞ্চলৰ, বিভিন্ন সময়ত মানুহৰ জীৱন-ধাৰণ প্ৰণালী, প্ৰচলিত ৰীতি-নীতি, প্ৰথা, কৌশল, খাদ্য, বাসস্থান, পানীৰ পৰ্যাপ্ততা ইত্যাদিৰ বিষয়ে জানিবলৈ ছবি/চিত্ৰ চাই, যাদুঘৰ ভ্ৰমণ কৰি তথ্য সংগ্ৰহ | **ছাত্ৰ-ছাত্ৰীয়ে—**<br>■ পোহৰ, শব্দ, গোন্ধ, তাপ আদিৰ প্ৰতি প্ৰাণীৰ প্ৰবল সংবেদনশীলতা আৰু ইয়াৰ প্ৰতিক্ৰিয়াৰ লগতে প্ৰাণীৰ দৃষ্টিশক্তি, নিদ্ৰা, আহাৰ গ্ৰহণ কৰা আদি অস্বাভাৱিক বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব।<br>■ বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি মানুহৰ দৈনন্দিন জীৱনৰ মৌলিক প্ৰয়োজনখিনি যেনে- খাদ্য, পানী আদি আহৰণ কৰাৰ প্ৰক্ৰিয়াসমূহ ব্যাখ্যা কৰিব পাৰিব। (খেতি পথাৰত উৎপন্ন হোৱা শস্যবোৰ কি কি প্ৰক্ৰিয়াৰে গৈ ৰান্ধনিশালত ব্যৱহাৰৰ উপযোগী হয়, খাদ্য সংৰক্ষণ পদ্ধতি, পানীৰ উৎস চিনাক্তকৰণ আদি)।<br>■ প্ৰাণী, উদ্ভিদ আৰু মানুহৰ পৰস্পৰ নিৰ্ভৰশীলতা ব্যাখ্যা কৰিব পাৰিব। (যেনে— প্ৰাণীৰ ওপৰত ভিত্তি কৰি কিছুমান সম্প্ৰদায়ৰ জীৱিকা নিৰ্বাহ, মানুহ আৰু প্ৰাণীৰ দ্বাৰা বীজৰ বিস্তাৰণ আদি।)<br>■ বাস্তৱ জীৱনত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা আৰু এই বোৰৰ কাৰ্যাৱলী বৰ্ণনা কৰিব পাৰিব। (যেনে-বেংক, পঞ্চায়ত, সমবায়, আৰক্ষী চকী ইত্যাদি।)<br>■ ভূমিখণ্ড, জলবায়ু, সম্পদ (খাদ্য, |



কৰা আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা জ্যেষ্ঠসকলৰ লগত আলোচনা কৰা।

■ পেট্ৰ'ল ডিপু, প্ৰাকৃতিক কেন্দ্ৰ, বিজ্ঞান-উদ্যান, পুখুৰী, বিল, স্বাস্থ্য কেন্দ্ৰ, অভয়াৰণ্য, সমবায় কীৰ্তিচিহ্ন, যাদুঘৰ আদি ভ্ৰমণ কৰা আৰু যদি সম্ভৱ হয় দূৰৱৰ্তী/দুৰ্গম ভৌগোলিক অঞ্চলসমূহৰ জীৱন-ধাৰণ পদ্ধতি তথা জীৱিকা ইত্যাদি নিৰীক্ষণ কৰা, সেই ঠাইৰ ব্যক্তিৰ সৈতে ভাৱ বিনিময় কৰা আৰু নিজৰ অভিজ্ঞতা দাঙি ধৰা।

■ কিছুমান পৰিঘটনা যেনে— পানী কেনেকৈ বাষ্পীভূত হয়, ঘণীভূত হয় আৰু পানীত দ্ৰৱণীয় দ্ৰব্যসমূহ বিভিন্ন পৰিৱেশত (স্বাভাৱিক উষ্ণতা/গৰম/ঠাণ্ডা পানীত) কিমানখিনি দ্ৰবীভূত হয় ইত্যাদি পৰীক্ষা-নিৰীক্ষা কৰি প্ৰমাণ কৰা। বীজৰ কেনেকৈ অংকুৰণ হয়, শিপা কোন দিশে বৃদ্ধি পাই আদি নিৰীক্ষণ কৰা আৰু নিজৰ অভিজ্ঞতাৰ বিষয়ে আলোচনা কৰা।

■ বিভিন্ন সামগ্ৰী, বীজ, পানী, পেলনীয়া সামগ্ৰী আদিৰ গুণাগুণ আৰু বৈশিষ্ট্য সম্পৰ্কে নিৰীক্ষণ কৰিবলৈ কিছুমান সহজ পৰীক্ষা-নিৰীক্ষা আৰু ক্ৰিয়া-কলাপ সম্পন্ন কৰা।

■ বীজ কেনেকৈ এঠাইৰ পৰা আন ঠাইলৈ বিস্তাৰণ হয়, কিছুমান ঠাইত কোনেও ৰোপণ নকৰাকৈ কেনেকৈ কিছুমান গছ-গছনি গজে আৰু ডাঙৰ হয়, (যেনে— অৰণ্যৰ গছ-গছনিক কোনে প্ৰতিপালন কৰে আৰু সেইবোৰৰ গৰাকী কোন ইত্যাদি কথাবোৰ জানিবলৈ নিজৰ চৌপাশ নিৰীক্ষণ আৰু উদঘাটন কৰা আৰু জটিলভাৱে চিন্তা কৰা।

■ নিজৰ চুবুৰীত থকা বিভিন্ন শিবিৰ, বৃদ্ধাশ্ৰম আদি ভ্ৰমণ কৰা আৰু বৃদ্ধ তথা বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰা। (যেনে— তেওঁলোক কোন অঞ্চলৰ, তেওঁলোকে ঘৰ এৰাৰ কাৰণ কি, তেওঁলোকৰ উপাৰ্জনৰ উৎস কি, তেওঁলোকৰ পূৰ্বপুৰুষসকল বহু দিন ধৰি ক'ত বাস কৰি আছিল ইত্যাদি বিষয়ে)।


■ নিজৰ ঘৰ/বিদ্যালয় বা চুবুৰীৰ পৰিস্থিতি সম্পৰ্কে পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী, সমনীয়া আৰু জ্যেষ্ঠসকলক সোধা, জটিলভাৱে চিন্তা কৰা আৰু আলোচনা কৰা আৰু সেইবোৰ অভিজ্ঞতা প্ৰতিফলিত কৰা।

পানী), আশ্ৰয়স্থলী, জীৱিকা আদিৰ লগত মানুহৰ সাংস্কৃতিক জীৱনৰ সংযোগ স্থাপন কৰিব পাৰিব (যেনে— দূৰণিবটীয়া/অতি দুৰ্গম/অতি গৰম আৰু অতি শীতল মৰুভূমি অঞ্চল)।

■ কিছুমান বৈশিষ্ট্য আৰু গুণাগুণৰ (যেনে-আকৃতি, সোৱাদ, বৰণ, বিন্যাস, মাত, গঠনশৈলী, চাৰিত্ৰিক বৈশিষ্ট্য) ওপৰত ভিত্তি কৰি জীৱ আৰু জড়ৰ শ্ৰেণী বিভাজন কৰিব পাৰিব।

■ অতীত আৰু বৰ্তমানৰ কিছুমান প্ৰথা, কলা-কৌশল আৰু কাৰ্যাৱলীৰ অনুশীলনৰ পৰিৱৰ্তনবোৰ— মুদ্ৰা, চিত্ৰ, কীৰ্তিচিহ্ন, যাদুঘৰ আদি অধ্যয়ন কৰি পোৱা তথ্যৰে আৰু বিজ্ঞ জ্যেষ্ঠ ব্যক্তিৰ লগত মত বিনিময় কৰি বৰ্ণনা কৰিব পাৰিব। (যেনে- কৃষি কাৰ্য, সংৰক্ষণ পদ্ধতি, উৎসৱ-পাৰ্বন, সাজ-পাৰ, পৰিৱহণ ব্যৱস্থা, সা-সঁজুলি, বৃত্তি, অট্টালিকা/ঘৰ, খাদ্য প্ৰস্তুত প্ৰণালী, কাম কৰা ধৰণ, অনুশীলন ইত্যাদি)।

■ কিছুমান প্ৰাকৃতিক পৰিঘটনাৰ ধৰ্ম, চৰ্ত (যেনে ওপঙি থকা আৰু ডুব যোৱা, মিশ্ৰণ, বাষ্পীভৱন, অংকুৰণ নষ্ট হোৱাৰ কাৰণ আদিৰ) সত্যাসত্য সৰল সঁজুলিৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি প্ৰমাণ কৰিব পাৰিব; দুই বা তাতোধিক বস্তুৰ মাজত দূৰত্ব, আয়তন, ওজন, সময় আদি জোখ-মাখ/হিচাপ-নিকাচ কৰি স্থানীয়/নিৰ্ধাৰিত এককত নিৰ্ণয় কৰিব পাৰিব।



■ সমাজত চলি থকা পক্ষপাতিতা, কু-সংস্কাৰ, লিঙ্গভিত্তিক ধাৰণাৰ বিষয়ে দৃষ্টান্তসহ নিজৰ সমনীয়া, শিক্ষক-শিক্ষয়িত্ৰী আৰু জ্যেষ্ঠ ব্যক্তিৰ সৈতে মুক্তভাৱে আলোচনা কৰা।

■ নিজৰ চুবুৰীত থকা বেংক, চিকিৎসালয়, প্ৰাকৃতিক দুৰ্যোগ ব্যৱস্থাপক প্ৰতিষ্ঠান, স্থানীয় নিকায়সমূহ ভ্ৰমণ কৰা আৰু তেনে অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত ব্যক্তিৰ সৈতে মত বিনিময় কৰি তথ্য আহৰণ কৰা আৰু নিজৰ অভিজ্ঞতা আনৰ আগত ব্যক্ত কৰা।

■ বিভিন্ন ভৌগোলিক অঞ্চলৰ জীৱন-ধাৰণ প্ৰণালীৰ বৈচিত্ৰতা, তেনে অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা (যিবিলাকে সমাজৰ প্ৰয়োজনসমূহ পূৰণৰ ব্যৱস্থা কৰে), তাত থকা প্ৰাণীৰ প্ৰবৃত্তি, পানীৰ নাটনি ইত্যাদি কথাবোৰ জানিবলৈ দূৰদৰ্শন, তথ্যচিত্ৰ আদি চোৱা আৰু বিভিন্ন অঞ্চলৰ স্বকীয় ভৌগোলিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি গ্ৰহণ কৰা বৃত্তি বা জীৱিকা সম্পৰ্কে অৰ্থপূৰ্ণ আলোচনা কৰা।

■ বিভিন্ন উৎসৰ পৰা নিৰীক্ষণ কৰি সংগ্ৰহ কৰা তথ্যৰে তালিকা/চিত্ৰ/ দণ্ডচিত্ৰ/পাইচিত্ৰ আদি অংকন কৰা/ মৌখিকভাৱে কোৱা/লিখিত ৰূপত নথি প্ৰস্তুত কৰা বা বিৱৰণ দাঙি ধৰা।

■ পৃথিৱীৰ বাসিন্দা হিচাপে জীৱকুল (যেনে— উদ্ভিদ আৰু প্ৰাণী), প্ৰাণীৰ অধিকাৰ আৰু সিহঁতৰ প্ৰতি কৰা উচিত ব্যৱহাৰ সম্পৰ্কীয় বিষয়বোৰ আলোচনা কৰা।

■ ৰাইজৰ মংগলৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰা ব্যক্তিসকলৰ অভিপ্ৰায় আৰু অভিজ্ঞতাসমূহ আলোচনা বা বৰ্ণনা কৰা।

■ দলীয় কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাত আগৰণুৱা হোৱা, সহযোগিতাৰে কাম কৰা, যত্ন লোৱা বা প্ৰতিপাল কৰা, নেতৃত্ব দিয়া, সহমৰ্মিতা, সহানুভূতিশীল আদি গুণ আয়ত্ত কৰা। (উদাহৰণস্বৰূপে, বিভিন্ন ধৰণৰ খেল পথাৰত খেলা খেল/ভিতৰত খেলা খেল/স্থানীয় খেল/ সমসাময়িক কাৰ্যকলাপ, নৃত্য, কলা, প্ৰকল্প আদিত অংশগ্ৰহণ কৰা আৰু নিজৰ পৰিৱেশত থকা উদ্ভিদ, চৰাই, প্ৰাণী, বৃদ্ধ বা বিশেষভাৱে সক্ষম ব্যক্তিৰ যত্ন লোৱাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা।)

■ জৰুৰীকালীন পৰিস্থিতি আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰস্তুতিকৰণৰ বাবে নকল অনুশীলন বা বাটৰ নাট আদি সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা।

■ পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাৰ পৰা পোৱা কিছুমান তথ্য প্ৰণালীবদ্ধ ভাৱে সজাই তালিকা, চিত্ৰ, দণ্ডচিত্ৰ, পাই চিত্ৰ আদিৰ দ্বাৰা নথি তৈয়াৰ কৰিব পাৰিব (তথ্য সংগ্ৰহ, উপস্থাপন আৰু বিশ্লেষণ কৰি সিদ্ধান্তত উপনীত হ'ব পাৰিব); কিছুমান পৰিঘটনাৰ কাৰণ আৰু প্ৰভাৱৰ মাজৰ সম্পৰ্ক, সৰল-সঁজুলিৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি অনুমান কৰিব পাৰিব। (যেনে- ওপঙি থকা আৰু ডুব যোৱা, মিশ্ৰণ, বাষ্পীভৱণ, অংকুৰণ, নষ্ট হোৱাৰ কাৰণ ইত্যাদি।)

■ প্ৰতীক/চিহ্ন/সংকেত, দিশ, বিভিন্ন বস্তুৰ স্থিতি, কোনো অঞ্চলৰ গুৰুত্বপূৰ্ণ স্থান, ভ্ৰমণ কৰা ঠাই আদি মানচিত্ৰত নিৰ্ধাৰণ কৰাৰ লগতে মানচিত্ৰত কোনো এটা অঞ্চলৰ বিভিন্ন ঠাই, দিশ আদি চিনাক্ত কৰিব পাৰিব।

■ স্থানীয় আৰু পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ্, আৰ্হি, নমুনা, মডেল, আল্পনা, পোষ্টাৰ, প্ৰৱাহমান চিত্ৰ, বিদ্যালয়/কাষৰীয়া অঞ্চলৰ মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব।

■ সমাজত ঘটি থকা কিছুমান ঘটনাৱলীৰ (যেনে— ৰাজহুৱা ঠাইত প্ৰৱেশৰ বৈষম্যতা, সম্পত্তিৰ মালিকীস্বত্ব, স্থানান্তৰীত, প্ৰব্ৰজন, বহিষ্কৃত, উচ্ছেদ, শিশুৰ অধিকাৰ) ওপৰত মতামত আগবঢ়াব পাৰিব।

■ স্বাস্থ্য আৰু স্বাস্থ্যবিধি, বৰ্জনীয় পদাৰ্থৰ ব্যৱস্থাপনা, জৰুৰীকালীন পৰিস্থিতি, প্ৰাকৃতিক সম্পদৰ সুৰক্ষা আৰু সংৰক্ষণ (যেনে— ভূমি, ইন্ধন, অৰণ্য) আদিৰ বিষয়ে পৰামৰ্শ আগবঢ়াব পাৰিব।

